

বাস কৰা অন্য
' বুলি অভিহিত
পৰিৱেশ বিনষ্ট
নো ব্যৱস্থা গ্ৰহণ
লনীটোৰে আশ-
নবজাৰ পথটোত
মানকি ড্ৰাই ডে'ৰ
কৰে। আৰক্ষীক
ৰিৱেশ বিনষ্ট কৰা

-৪জন আৰু মহিলা
তাংশ আৰু মহিলা
ংখ্যা এনে ধৰণৰ—
,৮৭০গৰাকী মহিলা,
৯গৰাকী মহিলা, পূব
ৰাকী মহিলা, পশ্চিম
ৰু ১,৬০,৪৫৮গৰাকী
ৰূপে সম্পন্ন কৰাৰ
ৰ্মচাৰী আৰু দুহাজাৰ

ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সামৰণি

ধীৰেনপাৰাৰ প্ৰতিবেদক ঃ মহানগৰীৰ ফটাশিল-আমবাৰীস্থিত ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত শনিবাৰে বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সামৰণি পৰে। সিদিনা মুকলি সভা আৰু বঁটা বিতৰণী সভাত পৌৰোহিত্য কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ববিতা চৌধুৰীয়ে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক, চিন্তাবিদ, লেখক অখিল ৰঞ্জন দত্তই ভাষণত জ্যোতিপ্ৰসাদৰ কবিতাৰ উদ্ধৃতিৰে ছাত্ৰ-ছাত্ৰীক চিন্নমূলীয় নহৈ স্বকীয় সংস্কৃতিৰ উপাসনাৰে নিজৰ প্ৰকৃত পৰিচয় বিচাৰিবলৈ অনুৰোধ জনায়। সভাত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° ফণীধৰ কলিতা, সদৌ অসম গুৱাহাটী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰাইফুদ্দিন আহমেদে ভাষণ দিয়ে। সাংস্কৃতিক অনুষ্ঠানত গীত-মাত, নৃত্য পৰিৱেশন কৰে। আনহাতে, মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনা পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ববিতা চৌধুৰীয়ে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে। মহাবিদ্যালয় সপ্তাহ উপলক্ষে বিভিন্ন খেল-ধেমালি, গীত-মাত, নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

অসম লেখিকা সমাৰোহ সমিতি

দিনাংক: ২৫ ফেব্ৰুৱাৰী, ২০১৬
আমাৰ অসম

গুৱাহাটী খবৰ মহানগৰ

২০ এপ্রিল, বুধব

গা অজুহাতৰ ভিত্তিত অনুমতি

ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত নাকৰ প্রতিনিধি

মহানগৰ খবৰ, ১৯ এপ্রিল ঃ অহা ইং ২৪, ২৫ আৰু ২৬ [illegible] মহানগৰীৰ আগশাৰীৰ শিক্ষানুষ্ঠান ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যাল[illegible] ভাৰত চৰকাৰৰ মানৱ সম্পদ মন্ত্রালয়ৰ অধীনস্থ 'ৰাষ্ট্রীয় প্রত্যায়ণ আৰু [illegible]' পৰিষদ' চমুকৈ নাকৰ (NAAC) এটা তিনিজনীয়া প্রতিনিধিৰ দলে বিভিন্ন দিশ পৰিদর্শন কৰিবলৈ আহিব। সিংহানিয়া বিশ্ববিদ্যালয়ৰ প্রাক্তন উপাচার্যা অধ্যাপক যোগেশ কুমাৰ শর্মাৰ নেতৃত্বত আহিবলগীয়া প্রতিনিধি দলটোৰ আন দুজন সদস্য হৈছে ক্রমে হিমাচল প্রদেশ বিশ্ববিদ্যালয়ৰ (চিমলা) শিক্ষা বিভাগৰ অধ্যাপক ৰমেশ চান্দ (সদস্য সমন্বয়ক) আৰু ধনঞ্জয় ৰয় গাদগিল বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্রতিভা এছ গাইকাড (সদস্যা)। দলটোৱে তিনিদিন ধৰি মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিকে ধৰি বিভিন্ন দিশ আৰু বিভাগসমূহ পৰিদর্শন কৰাৰ লগতে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতি, প্রাক্তন ছাত্র-ছাত্রী আৰু অভিভাৱকসকলৰ লগত বিভিন্ন শৈক্ষিক দিশ সম্পর্কে আলোচনাত মিলিত হ'ব।

অসমীয়া খবৰ / ২০ এপ্ৰিল ২০১৬

আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱৰ আয়োজন

ধীৰেনপাৰাৰ প্ৰতিবেদক, ৫ ছেপ্টেম্বৰ ঃ মহানগৰীৰ ফটাশিল আমবাৰীস্থিত ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰদ্বাৰা পৰিচালিত আন্তঃমহাবিদ্যালয়ৰ মাণ্ডলিক যুৱ মহোৎসৱ ২০১৬-১৭ বৰ্ষৰ ১৪-১৬ ছেপ্টেম্বৰত অনুষ্ঠিত কৰাৰ বাবে যো-জা কৰা হৈছে। এই যুৱ মহোৎসৱত সাংস্কৃতিক শিতানৰ বিভিন্ন প্ৰতিযোগিতা সংগীত, লোকবাদ্য, নাটক, নৃত্য (লোকনৃত্য আৰু শাস্ত্ৰীয়), মূকাভিনয় আদি অনুষ্ঠিত হ'ব। ইতিমধ্যে এই প্ৰতিযোগিতাসমূহ সংশ্লিষ্ট মহাবিদ্যালয়সমূহলৈ প্ৰেৰণ কৰা হৈছে। মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক মধ্য মণ্ডলৰ অন্তৰ্গত মহাবিদ্যালয়সমূহক প্ৰতিযোগিতাৰ প্ৰ-পত্ৰ পূৰণ কৰি সাত ছেপ্টেম্বৰৰ ভিতৰত দীপক চক্ৰৱৰ্তী, সাংগঠনিক সম্পাদক, মাৰফৎ ডঃ ববিতা চৌধুৰী, অধ্যক্ষ তথা সভাপতি, আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ উদ্‌যাপন সমিতি, ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়, গুৱাহাটী-২৫ তথা ফোন ৯৯৫৪০-২৮৬৯৭ নম্বৰত যোগাযোগ কৰিব পাৰে।

আমাৰ অসম ৫/৯/১৬

আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱৰ আয়োজন

মহানগৰ সেৱা, ৯ ছেপ্টেম্বৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰদ্বাৰা পৰিচালিত আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ ১৪ ছেপ্টেম্বৰৰপৰা ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ চৌহদত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক প্ৰতিযোগিতাৰ নামৰণি পৰিব ১৬ ছেপ্টেম্বৰত। এইবাৰৰ মাণ্ডলিক যুৱ মহোৎসৱত অনুষ্ঠিত হ'বলগীয়া সকলোধৰণৰ প্ৰতিযোগিতা তথা মাণ্ডলিক যুৱ মহোৎসৱখন সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়ালৰপৰা সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

[illegible]
৯ ছেপ্টেম্বৰ ২০১৬

১৬ ছেপ্টেম্বৰ, ২০১৬ শুক্ৰবাৰ, গুৱাহাটী ★★★
আমাৰ অসম

ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত মাণ্ডলিক পৰ্যায়ৰ যুৱ মহোৎসৱ আৰম্ভ

মহানগৰৰ বিশেষ প্ৰতিবেদক, ১৫ ছেপ্টেম্বৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ অধীনত মধ্য মণ্ডলৰ বাবে ১৪ ছেপ্টেম্বৰৰ পৰা মহানগৰীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত তিনিদিনীয়াকৈ আৰম্ভ হৈছে আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ। পুৱা পতাকা উত্তোলনৰে যুৱ মহোৎসৱৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ মৃদুল হাজৰিকাই। আনহাতে, এই উপলক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ববিতা চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি উপাচাৰ্য ডঃ মৃদুল হাজৰিকাই ভাষণ প্ৰসংগত যুৱ মহোৎসৱ উদ্‌যাপনৰ তাৎপৰ্য দাঙি ধৰি ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ উন্নতি হয় বুলি ব্যক্ত কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালক ফণীন্দ্ৰ জিদুং আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ সচিব তথা ছাত্ৰ কল্যাণ সঞ্চালক ডঃ ৰঞ্জন কুমাৰ কাকতি উপস্থিত থাকে।

আমাৰ অসম
১৬ ছেপ্টেম্বৰ ২০১৬

Zonal youth fest under GU ends

GUWAHATI, Sept 20: The three-day Inter College Zonal Youth Festival of the Middle Zone under the Gauhati University Sports Board, covering Kamrup (Rural), Kamrup (Metro) and Morigaon districts, concluded at RG Baruah College here on September 16, a press release stated today.

Altogether 409 students representing 30 colleges took part in various events. In the one-act play competition, Jagiroad College was adjudged as the best drama group. Anisha Choudhury from B Borooah College secured the highest number of prizes in the singing events, followed by Indrani Talukdar of Narengi Anchalik College. Participants from various colleges secured positions in the dance events as well.

The valedictory function was held on September 16 under the presidentship of Dr Babita Choudhury, Principal, RG Baruah College. Dr Ranjan Kr Kakoti, Director, Students' Welfare, and Secretary, Sports Board, GU, distributed certificates to the winners. He lauded the initiative of the Principal and the organising committee members for the successful completion of the events.

The Assam Tribune.
20 Sept. 2016

আৰ জি বৰুৱা কলেজত মাণ্ডলিক যুৱ মহোৎসৱৰ সামৰণি

মহানগৰৰ বিশেষ প্ৰতিবেদক, ২৩ ছেপ্টেম্বৰ : গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ উদ্যোগত মহানগৰীৰ আৰ জি বৰুৱা কলেজত যোৱা সপ্তাহত তিনিদিনীয়াকৈ অনুষ্ঠিত মাণ্ডলিক যুৱ মহোৎসৱৰ প্ৰতিযোগিতাসমূহৰ সফল সামৰণি পৰে। আনহাতে, কামৰূপ, কামৰূপ মহানগৰ আৰু মৰিগাঁও জিলাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ বাবে অনুষ্ঠিত মাণ্ডলিক যুৱ মহোৎসৱৰ প্ৰতিযোগিতা আৰু কাৰ্যসূচীসমূহত তিনিওখন জিলাৰ ৩০খন মহাবিদ্যালয়ৰ ৪০৯গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি যুৱ মহোৎসৱৰ প্ৰতিযোগিতাত জাগীৰোড মহাবিদ্যালয়ে শ্ৰেষ্ঠ নাট্য দলৰ সন্মান লাভ কৰে। তেনেদৰে সংগীত বিভাগত গুৱাহাটীৰ বি বৰুৱা কলেজৰ ছাত্ৰী অনিশা চৌধুৰীয়ে শ্ৰেষ্ঠৰ সন্মান আৰু নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ ইন্দ্ৰাণী তালুকদাৰে নৃত্য বিভাগত শ্ৰেষ্ঠৰ সন্মান লাভ কৰে। আনহাতে, মহোৎসৱৰ সামৰণী অনুষ্ঠানত পৌৰোহিত্য কৰে আৰ জি বৰুৱা কলেজৰ অধ্যক্ষ ড° ববিতা শৰ্মাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিজয়ী প্ৰতিযোগীসকলক বঁটা আৰু মানপত্ৰ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতিয়ে।

আৰ জি বৰুৱা কলেজত মাণ্ডলিক যুৱ মহোৎসৱৰ সামৰণি

মহানগৰৰ বিশেষ প্ৰতিবেদক, ২৩ ছেপ্টেম্বৰ : গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ উদ্যোগত মহানগৰীৰ আৰ জি বৰুৱা কলেজত যোৱা সপ্তাহত তিনিদিনীয়াকৈ অনুষ্ঠিত মাণ্ডলিক যুৱ মহোৎসৱৰ প্ৰতিযোগিতাসমূহৰ সফল সামৰণি পৰে। আনহাতে, কামৰূপ, কামৰূপ মহানগৰ আৰু মৰিগাঁও জিলাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ বাবে অনুষ্ঠিত মাণ্ডলিক যুৱ মহোৎসৱৰ প্ৰতিযোগিতা আৰু কাৰ্যসূচীসমূহত তিনিওখন জিলাৰ ৩০খন মহাবিদ্যালয়ৰ ৪০৯গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি যুৱ মহোৎসৱৰ প্ৰতিযোগিতাত জাগীৰোড মহাবিদ্যালয়ে শ্ৰেষ্ঠ নাট্য দলৰ সন্মান লাভ কৰে। তেনেদৰে সংগীত বিভাগত গুৱাহাটীৰ বি বৰুৱা কলেজৰ ছাত্ৰী অনিশা চৌধুৰীয়ে শ্ৰেষ্ঠৰ সন্মান আৰু নাৰেংগী আঞ্চলিক মহাবিদ্যালয়ৰ ইন্দ্ৰাণী তালুকদাৰে নৃত্য বিভাগত শ্ৰেষ্ঠৰ সন্মান লাভ কৰে। আনহাতে, মহোৎসৱৰ সামৰণী অনুষ্ঠানত পৌৰোহিত্য কৰে আৰ জি বৰুৱা কলেজৰ অধ্যক্ষ ড° ববিতা শৰ্মাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিজয়ী প্ৰতিযোগীসকলক বঁটা আৰু মানপত্ৰ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ সচিব ড° ৰঞ্জন কুমাৰ কাকতিয়ে।

পৰাগ শৰ্মা সোঁৱৰণী মঞ্চৰ আধাৰশিলা স্থাপন অনুষ্ঠান

ধীৰেনপাৰাৰ প্ৰতিবেদক, ১৬ নৱেম্বৰ ঃ মহানগৰীৰ ফটাশিল আমবাৰীস্থিত ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত পৰাগ শৰ্মা সোঁৱৰণী মঞ্চৰ আধাৰশিলা ১৯ নৱেম্বৰত শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্থাপন কৰিব। উল্লেখ্য, মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক ড° মালবিকা শৰ্মাই তেওঁৰ স্বামীৰ সোঁৱৰণত উক্ত মঞ্চখন মহাবিদ্যালয়ক উছৰ্গা কৰিব। সেইদিনাৰ অনুষ্ঠানত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ত জড়িত আটাইকে উপস্থিত থাকিবলৈ অধ্যক্ষ ড° ববিতা চৌধুৰীয়ে অনুৰোধ জনাইছে।

ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়

মহাবিদ্যালয় সপ্তাহ আৰম্ভ

মহানগৰ খবৰ, ৭ ফেব্ৰুৱাৰী ঃ মহানগৰীৰ আগশাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হৈছে। পুৱা ৯ বজাত পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° ববিতা চৌধুৰীয়ে। ইয়াৰ পাছতে ক্ৰীড়া বিভাগৰ বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়। ইয়াৰ লগত সংগতি ৰাখি অহা ১০ ফেব্ৰুৱাৰীৰ পুৱাৰ ভাগত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সকলো জনগোষ্ঠীৰ কলা-সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ইপিনে ১৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব মুকলি সভা তথা বঁটা বিতৰণী সভা। ইয়াৰ লগত সংগতি ৰাখি সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে।

মুখ্য সচিব ভি কে পিপাৰছেনিয়াই, শনিবাৰে

ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত পৰাগ শৰ্মা সোঁৱৰণী মুকলি মঞ্চৰ আধাৰশিলা স্থাপন

ধীৰেনপাৰাৰ প্ৰতিবেদক, ১৯ নৱেম্বৰ ঃ 'বৰ্তমান মহাবিদ্যালয়সমূহত অৰ্থনীতি বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমৰ উপৰিও মুদ্ৰা নিষিদ্ধকৰণ আৰু পণ্য বা সামগ্ৰী আৰু সেৱা কৰাৰ ওপৰত জ্ঞান দিব লাগে। প্ৰাসংগিক বিষয়ৰ ওপৰত আলোচনা কৰিব লাগে, ছাত্ৰ-ছাত্ৰীৰ মাজত জিজ্ঞাসাৰ সৃষ্টি কৰিব লাগে। আমাৰ অসমৰ ল'ৰা-ছোৱালীয়ে অসমীয়াত কথা পাতিব পাৰে যদিও ইংৰাজী বা হিন্দীত সলসলীয়াকৈ কথা ক'ব নোৱাৰাৰ বাবে বাহিৰত কাম কৰিব নোৱাৰে বা ফেৰ মাৰিব নোৱাৰে।'— এই মন্তব্য শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। গুৱাহাটী মহানগৰীৰ ফটাশিল আমবাৰীস্থিত ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ উদ্যোগত শনিবাৰে মহাবিদ্যালয় প্ৰাংগণত আয়োজিত পৰাগ শৰ্মা সোঁৱৰণী মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰি এইদৰে কয় শিক্ষামন্ত্ৰী ড° শৰ্মাই। অধ্যাপিকা ড° মল্লিকা কন্দলীয়ে আঁত ধৰা সভাত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ববিতা চৌধুৰীয়ে। বাণিজ্য বিভাগৰ অধ্যাপক শৈলেন ডেকাই বৰগীতেৰে শুভাৰম্ভ কৰা সভাত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° ফণীধৰ কলিতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক দীনেশ বৰুৱাই ভাষণ দিয়ে। সভাত ঢেকীয়াজুলি সমষ্টিৰ বিধায়ক অশোক সিংহল উপস্থিত থাকে। উল্লেখ্য, উক্ত মুকলি মঞ্চখন-পৰাগ শৰ্মাৰ সহধৰ্মিণী তথা মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মালবিকা শৰ্মাই আগবঢ়াইছে।

08/02/2017

আকস্মিকভাৱে প্ৰকাণ্ড মেথোন এটাই আক্ৰমণৰ   কৰায়। অৱশ্যে চিকিৎসকে বিপদমুক্ত বুলি কৈছে।

কাইলৈৰ পৰা জিএমচিএইচ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠক

মহানগৰ খবৰ, ৭ ফেব্ৰুৱাৰী : বীজাণু সংক্ৰমণ প্ৰতিৰোধ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা গঢ়ি তোলাৰ মানসেৰে হস্পিতাল ইনফেকচন ছ'চাইটী গুৱাহাটী শাখা আৰু গুৱাহাটী মেডিকেল কলেজ হস্পিতালৰ মাইক্ৰ'বায়'লজী বিভাগৰ উদ্যোগত ৯ ফেব্ৰুৱাৰীৰ পৰা ১১

ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়

মহাবিদ্যালয় সপ্তাহ আৰম্ভ

মহানগৰ খবৰ, ৭ ফেব্ৰুৱাৰী : মহানগৰীৰ আগশাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হৈছে। পুৱা ৯ বজাত পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° ববিতা চৌধুৰীয়ে। ইয়াৰ পাছতে ক্ৰীড়া বিভাগৰ বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়। ইয়াৰ লগত সংগতি ৰাখি অহা ১০ ফেব্ৰুৱাৰীৰ পুৱাৰ ভাগত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সকলো জনগোষ্ঠীৰ কলা-সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এক সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ইপিনে ১৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব মুকলি সভা তথা বঁটা বিতৰণী সভা। ইয়াৰ লগত সংগতি ৰাখি সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছে।

ৰংপুৰ অ
নিগমৰ
ৰংপুৰ
উপপ্ৰ
সুপৰিক
বাৰিষা ব
অঞ্চলৰ
প্লাবিত ক
ক্ষেত্ৰত জী
স্থানীয় ৰা
নিগমৰ প
ধৰি চৰকা
বঞ্চিত ৰং
উদ্যোগত
টিউবৱেল
কৰে। আ
ঘাইপথৰ
পথত নি
দীঘলীয়া